# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 19-05-2025
**Time :** 1845 HRS

## ***Assamese Evening Bulletin***
### Headlines
-------------------

১। ৰাজহ সংগ্ৰহৰ সমগ্ৰ ব্যৱস্থাটো সুচল কৰাৰ বাবে কৰ বিভাগৰ পযেকীয়া বৈঠক অনুষ্ঠিত কৰিবলৈ মুখ্যমন্ত্ৰীৰ পৰামৰ্শ।

২। অসমসহ উত্তৰ-পূৰ্বাঞ্চলৰ যুৱ সম্প্ৰদায়ক নৌ পৰিবহণ আৰু নৌ ব্যৱসায়ৰ প্ৰয়োজনীয় কৌশল শিক্ষণৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ ব্যৱস্থা।

৩। ভাষা আন্দোলনত প্ৰাণ আহুতি দিয়া ১১ গৰাকী ছহিদৰ স্মৃতিত বৰাক উপত্যকাত ৬৪ সংখ্যক ভাষা ছহিদ দিৱস পালন। বৰাক-ব্ৰহ্মপুত্ৰৰ সমন্বয়ত গুৰুত্ব।

৪। অপাৰেচন সিন্দূৰৰ সফলতা আৰু দেশৰ বীৰ সৈনিকসকলৰ বীৰগাঁথা প্ৰচাৰৰ আকাশবাণীৰ শৃংখলাত আজি অৱসৰপ্ৰাপ্ত গ্ৰুপ কেপ্তেইন শ্ৰীকিষণৰ অভিমত।

**আৰু**

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ, ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ।

ooooo

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি কৰ ভৱনত বিত্তমন্ত্ৰী অজন্তা নেওগৰ উপস্থিতিত কৰ সংগ্ৰহৰ বিভিন্ন বিষয় সন্দৰ্ভত এখন পৰ্যালোচনা বৈঠকত অধ্যক্ষতা কৰে। মুখ্যমন্ত্ৰীয়ে ৰাজ্যত সমন্বিত সামগ্ৰী আৰু সেৱা কৰ, আই জি এছ টি সংগ্ৰহৰ বৰ্তমান পৰিস্থিতিৰ পৰ্যালোচনা কৰে। তেওঁ আই জি এছ টি সংগ্ৰহ বৃদ্ধি কৰিবলৈ প্ৰয়োজনীয় আৰু সময়োপযোগী পদক্ষেপ গ্ৰহণ কৰাৰ বাবে সংশ্লিষ্ট কৰ্তৃপক্ষক নিৰ্দেশ দিয়ে। তেওঁ লগতে কৰ সংগ্ৰহৰ ক্ষেত্ৰত থকা সমস্যাসমূহ বিচাৰি উলিয়াই ৰাজহ সংগ্ৰহৰ সমগ্ৰ ব্যৱস্থাটো সুচল কৰি তোলাটো নিশ্চিত কৰাৰ বাবে পযেকীয়া বৈঠক অনুষ্ঠিত কৰিবলৈ মুখ্য সচিব ড০ ৰবি কোটাক পৰামৰ্শ দিয়ে।

ooooo

কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে অসম সহ উত্তৰ-পূৰ্বাঞ্চলৰ যুৱ সম্প্ৰদায়ক জল পৰিবহণ খণ্ডৰ কৌশল আহৰণ কৰিবলৈ আহ্বান জনাইছে। আজি গুৱাহাটীত বন্দৰ আৰু নদী পৰিবহণ খণ্ডৰ কাম-কাজৰ এখন পৰ্যালোচনা সভাত অংশগ্ৰহণ কৰি শ্ৰী সোণোৱালে কয়, যে গুৱাহাটীত ব্ৰহ্মপুত্ৰৰ পাৰতে এটা লাইট হাউছ নিৰ্মাণ কৰা হ'ব আৰু উত্তৰ-পূৰ্বাঞ্চলৰ ছাত্ৰ-ছাত্ৰীক নৌ পৰিবহণ আৰু নৌ ব্যৱসায়ৰ ক্ষেত্ৰত সহায়ক হোৱাকৈ চৰকাৰে প্ৰয়োজনীয় সকলো ব্যৱস্থা গ্ৰহণ কৰিব। তেওঁ কয়, যে জাৰ্মানীৰ আগশাৰীৰ কোম্পানী – ভে নাচ লজিষ্টিক্‌ছ ৱৰ্ল্ড লিমিটেডে ব্ৰহ্মপুত্ৰ আৰু বৰাক নৈত মালবাহী আৰু ক্ৰুজ জাহাজ চলাচল কৰোৱাৰ বাবে ভাৰত চৰকাৰৰ সৈতে চুক্তিত স্বাক্ষৰ কৰিছে।

-বাইট-

০০০০০

১৯৬১ চনৰ ১৯ মে’ত বাংলা ভাষাৰ অধিকাৰৰ বাবে  শিলচৰত প্ৰাণ আহুতি দিয়া ১১ গৰাকী ছহিদৰ স্মৃতিত আজি বৰাক উপত্যকাত ৬৪ সংখ্যক ভাষা ছহিদ দিৱস পালন কৰা হয়। কাছাৰ জিলাৰ শিলচৰ ৰে’ল ষ্টেচনৰ ছহিদ বেদী, শ্মশান ঘাটৰ ছহিদ বেদী আৰু গান্ধীবাগৰ স্মৃতি সৌধত সমাজৰ বিভিন্ন শ্ৰেণীৰ লোকে মাতৃভাষাৰ হকে প্ৰাণ আহুতি দিয়া ছহিদকেইগৰাকীলৈ শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰে। বৰাক উপত্যকাৰ আমাৰ সংবাদদাতাসকলে জনোৱা মতে আজি পুৰা শ্ৰীভূমি, হাইলাকান্দি আৰু কাছাৰ জিলাৰ বিভিন্ন শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীসকলে ছহিদসকলৰ স্মৃতিত শোভাযাত্ৰা উলিয়ায়।  কেইবাটাও ক্লাবৰ উদ্যোগতো আজি ভাষা ছহিদ দিৱস পালন কৰা হয়। বৰাক উপত্যকা উন্নয়ন মন্ত্ৰী কৌশিক ৰায়ে এই উপলক্ষে কয়, যে অসম চৰকাৰে ইতিমধ্যে বৰাক উপত্যকাত চৰকাৰী কাম-কাজত বাংলা ভাষাৰ ব্যৱহাৰ বাধ্যতামূলক কৰিছে। অসমীয়া আৰু বাংলা দুয়োটা ভাষায়েই ধ্ৰুপদী ভাষাৰ মৰ্যাদা লাভ কৰাৰ পাছত সকলো অসমবাসীৰ মাজত একতাৰ ভাব অধিক সুদৃঢ় হ’ব বুলি তেওঁ আশা প্ৰকাশ কৰে। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে অসম সাহিত্য সভাই বাংলা ভাষাক চৰকাৰী স্বীকৃতি প্ৰদানৰ দাবী পূৰণ হোৱাৰ বাবে সন্তুষ্টি প্ৰকাশ কৰাৰ লগতে শিলচৰ ৰে’ল ষ্টেচনৰ নাম ভাষা ছহিদ ষ্টেচন ৰূপে নামকৰণৰ দাবীৰ প্ৰতিও সমৰ্থন আগবঢ়াইছে। বৰাক উপত্যকা ভ্ৰমণলৈ যোৱা অসম সাহিত্য সভাৰ সভাপতি ড০ বসন্ত কুমাৰ গোস্বামী আৰু সাহিত্য সভাৰ আন শীৰ্ষ বিষয়ববীয়াসকলে কালি শিলচৰত এই কথা প্ৰকাশ কৰে।

০০০০০

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানে চলিত পৰ্যটন বৰ্ষত সৰ্বাধিক পৰ্যটকে পৰিদৰ্শন কৰা দেশৰ ৰাষ্ট্ৰীয় উদ্যানৰ তালিকাত তৃতীয় স্থান লাভ কৰিছে। ২০২৪-২৫ পৰ্যটন বৰ্ষত ৪ লাখ ৪৩ হাজাৰ পৰ্যটকে উদ্যানখন ভ্ৰমণ কৰিছিল। ইয়াৰ পৰা ১১ কোটি টকাৰো অধিক ৰাজহ সংগ্ৰহ হৈছে বুলি উদ্যানখনৰ সঞ্চালক ড° সোণালী ঘোষে প্ৰকাশ কৰিছে। যোৱা বছৰৰ তুলনাত এইবাৰ ৩৫ শতাংশ পৰ্যটক বৃদ্ধি হৈছে বুলি তেওঁ প্ৰকাশ কৰে।

- বাইট -

উল্লেখযোগ্য যে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান পৰ্যটকৰ বাবে আজিৰে পৰা বন্ধ কৰা হৈছে। ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষই যোৱা ১ মে’ত হাতী চাফাৰী বন্ধ কৰিছিল। হাতী চাফাৰী বন্ধ হোৱাৰ পাছত পৰ্যটকৰ বাবে উদ্যানখনত জীপ চাফাৰী উপলব্ধ আছিল।

০০০০০

অপাৰেচন সিন্দূৰ আৰু ইয়াৰ পৰৱৰ্তী দিনকেইটাত সেনা বাহিনীয়ে লাভ কৰা সফলতাৰ পটভূমিত দেশৰ হকে অপৰিসীম সাহসেৰে যুঁজ দিয়া ৰাজ্যখনৰ প্ৰাক্তন সৈনিক, তেওঁলোকৰ পৰিয়াল আৰু সমাজৰ নেতৃস্থানীয় লোকৰ মতামত প্ৰচাৰৰ শৃংখলাত আজি আমি লগ পাওঁ আহক **বায়ু সেনা বাহিনীৰ অৱসৰপ্ৰাপ্ত গ্ৰুপ কেপ্তেইন শ্ৰীকিষণক**। গোৱালপাৰাতে বসতি কৰা এই অৱসৰপ্ৰাপ্ত সামৰিক বিষয়াগৰাকীয়ে অপাৰেচন সিন্দূৰৰ কাৰ্যকৰিতা সন্দৰ্ভত আমাৰ গোৱালপাৰাৰ সংবাদদাতাৰ আগত এই মত ব্যক্ত কৰে। –

*(বাইট)*

০০০০০

দেৰগাঁৱৰ লাচিত বৰফুকন পুলিচ একাডেমীত কাইলৈ আৰক্ষী অধীক্ষকৰ সন্মিলনৰ আয়োজন কৰা হৈছে। এই সন্মিলনৰ বাবে প্ৰতিষ্ঠানটোত সকলো প্ৰস্তুতি সম্পূৰ্ণ হৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই

অনুষ্ঠানত বিশেষ অতিথি হিচাপে অংশ লোৱাৰ কথা। উল্লেখযোগ্য যে মুখ্যমন্ত্ৰী হিচাপে দায়িত্বভাৰ গ্ৰহণৰ পাছতে ড° শৰ্মাই প্ৰতি ছমাহত অসম আৰক্ষী অধীক্ষকৰ সন্মিলন অনুষ্ঠিত কৰাৰ কথা ঘোষণা কৰিছিল। মুখ্যমন্ত্ৰীয়ে ৰাজ্যখনত আইনৰ শাসন সুনিশ্চিত কৰাৰ বাবে আৰক্ষী অধীক্ষকসকলক লক্ষ্য স্থিৰ কৰি দিছিল। কাইলৈ এই সন্মিলনত মুখ্যমন্ত্ৰী ড° শৰ্মাই বিভিন্ন জিলাৰ আৰক্ষী অধীক্ষকসকলৰ পৰা বিগত সময়ছোৱাৰ কাম-কাজ আৰু আইন-শৃংখলা পৰিস্থিতি সম্পৰ্কীয় সবিশেষ তথ্য গ্ৰহণ কৰাৰ সম্ভাৱনা আছে।

০০০০০

অসম আৰক্ষীয়ে দেশবিৰোধী মন্তব্য কৰা লোকৰ বিৰুদ্ধে অভিযান চলাই এতিয়ালৈকে বিভিন্ন জিলাৰ পৰা ৭১ জন লোকক গ্ৰেপ্তাৰ কৰিছে। শেহতীয়াকৈ দেশ বিৰোধী মন্তব্য কৰাৰ অভিযোগত কোকৰাঝাৰৰ পৰা ৰূপচান্দ আলী, গোৱালপাৰাৰ পৰা ৰছিদ মণ্ডল আৰু দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ ৰাজু শ্বেইখ নামৰ লোককেইজনক গ্ৰেপ্তাৰ কৰা হৈছে।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে এই বিষয়ে প্ৰকাশ কৰি অসম আৰক্ষীয়ে এই অভিযান পৰৱৰ্তী সময়তো অব্যাহত ৰাখিব বুলি উল্লেখ কৰিছে। তেওঁ লগতে জনসাধাৰণক এনে দেশ বিৰোধী মন্তব্য দৃষ্টি গোচৰ হোৱাৰ মাত্ৰেই প্ৰশাসনক অৱগত কৰিবলৈ আহ্বান জনায়। দেশ বিৰোধী মন্তব্য কৰা লোকৰ বিৰুদ্ধে কোনো ধৰণৰ সহানুভূতি প্ৰদৰ্শন কৰা নহ'ব বুলিও মুখ্যমন্ত্ৰী ড০ শৰ্মাই প্ৰকাশ কৰে।

০০০০০

গুৱাহাটীৰ পশ্চিম বৰাগাঁৱত নিৰ্মীয়মান ছহিদ স্মাৰক ক্ষেত্ৰ পৰিদৰ্শন কৰি আজি কৃষিমন্ত্ৰী অতুল বৰাই এই ক্ষেত্ৰ নিৰ্মাণৰ কাম নিৰ্ধাৰিত সময়ত সম্পূৰ্ণ কৰাৰ বাবে সংশ্লিষ্ট বিষয়া-কৰ্মচাৰীসকলক নিৰ্দেশ দিয়ে। নিৰ্মীয়মান স্মাৰক ক্ষেত্ৰ পৰিদৰ্শন কৰি মন্ত্ৰীগৰাকী অসম চুক্তি ৰূপায়ণ বিভাগ আৰু লোকনিৰ্মাণ বিভাগৰ বিষয়া-কৰ্মচাৰীৰ সৈতে বৈঠকত মিলিত হৈ এই কামৰ অগ্ৰগতি পৰ্যালোচনা কৰে। মন্ত্ৰীগৰাকীয়ে কয়, যে অসম আন্দোলনত অসমৰ অস্তিত্ব ৰক্ষাৰ হকে প্ৰাণ আহুতি দিয়া ছহিদসকলৰ সন্মানাৰ্থে নিৰ্মীয়মান এই স্মাৰক অঞ্চলটোৰ অন্যতম সু-উচ্চ স্তম্ভ হিচাপে পৰিগণিত হ'ব। ইয়াত স্থাপন কৰিবলগীয়া ছহিদসকলৰ প্ৰতিমূৰ্তিয়ে তেওঁলোকৰ অতুলনীয় ত্যাগ আৰু সাহসক প্ৰতিফলিত কৰিব বুলি শ্ৰী বৰাই মন্তব্য কৰে। তেওঁ কয়, যে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই যোৱাবছৰ নৱেম্বৰত এই স্থান পৰিদৰ্শন কৰি সময়মতে আৰু ক্ষিপ্ৰতাৰে কাম সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশ দিছিল। এই প্ৰকল্পৰ দ্বিতীয় পৰ্যায়ৰ অধীনত এটা আধুনিক প্ৰেক্ষাগৃহ নিৰ্মাণ আৰু আলোকধ্বনি প্ৰদৰ্শন ব্যৱস্থাৰ কাম চলি আছে। ইয়াৰ দ্বাৰা এই স্মাৰকৰ ঐতিহাসিক আৰু সাংস্কৃতিক গুৰুত্বক তুলি ধৰিবলৈ প্ৰয়াস কৰা হ'ব বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০

সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰাক্তন সাধাৰণ সম্পাদক শংকৰজ্যোতি বৰুৱাক দুলীয়াজান আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে। যোৱানিশা দুলীয়াজানৰ এটা তেলডিপোত দুটা ফৈদৰ মাজত হোৱা হতাহতিৰ ঘটনাক কেন্দ্ৰ কৰি উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হৈছিল। তেলডিপোটোৰ কৰ্মচাৰীক শাৰীৰিক প্ৰহাৰ কৰা বুলি প্ৰতিষ্ঠানটোৰ একাংশ কৰ্মচাৰীয়ে ৰুজু কৰা গোচৰৰ ভিত্তিত তেওঁক আটক কৰা হৈছিল। দুলীয়াজান আৰক্ষীয়ে আজি ভাৰতীয় ন্যায় সংহিতাৰ নিৰ্দিষ্ট ধাৰাৰ অধীনত ৰুজু হোৱা গোচৰৰ ভিত্তিত প্ৰাক্তন ছাত্ৰ নেতাজনক গ্ৰেপ্তাৰ কৰে।

০০০০০

চৰাইদেউ জিলাৰ সোণাৰিত ডাইনী অন্ধবিশ্বাসৰ বশৱৰ্তী হৈ এগৰাকী মহিলাক হত্যাৰ ১৩ বছৰ পুৰণি গোচৰত আজি ২৩ জন লোকক একেলগে যাৱজ্জীৱন কাৰাদণ্ডৰ শাস্তি বিহা হয়। চৰাইদেউ জিলা আৰু ছেচন ন্যায়াধীশৰ আদালতে আজি এই ঐতিহাসিক ৰায় দিয়ে। উল্লেখযোগ্য যে ২০১২ চনৰ ৯ ফেব্ৰুৱাৰীত চৰাইদেউৰ জলহা গাঁৱত একাংশ দুষ্কৃতিকাৰীৰ আক্ৰমণত ফুলেশ্বৰী হালোৱা নামৰ মহিলাগৰাকীয়ে প্ৰাণ হেৰুৱাইছিল। অন্ধ বিশ্বাসৰ বশৱৰ্তী হৈ এই লোকসকলে মহিলাগৰাকীক শাৰীৰিক নিৰ্যাতন চলোৱাৰ উপৰি অগ্নি সংযোগ কৰি হত্যা কৰিছিল। মহিলাগৰাকীৰ পুত্ৰই সোণাৰি থানাত দিয়া এজাহাৰৰ ভিত্তিত কমেও ৩৫ জন লোকক আটক কৰা হৈছিল। ১৩ বছৰ ধৰি চলি থকা এই গোচৰৰ আজি প্ৰদান কৰা ৰায় অনুসৰি অপৰাধী বুলি প্ৰমাণিত ২৩ জন লোকক যাৱজ্জীৱন কাৰাদণ্ডৰ লগতে ৫ হাজাৰকৈ টকাৰ জৰিমণা বিহা হৈছে। তদুপৰি ভুক্তভোগী পৰিয়ালক ক্ষতিপূৰণ হিচাপে ৮ লাখ টকা প্ৰদান কৰিবলৈ ন্যায়ালয়ে নিৰ্দেশ দিছে।

ooooo

ৰাজ্যৰ বিভিন্ন প্ৰান্তত বিজেপিৰ ত্ৰিৰংগ যাত্ৰা অব্যাহত আছে। **গোৱালপাৰা** পৌৰসভাৰ উদ্যোগত আজি গোৱালপাৰা মহাবিদ্যালয়ৰ পৰা উলিওৱা ত্ৰিৰংগ যাত্ৰাত জিলাখনৰ প্ৰাক্তন সৈনিকসকলৰ লগতে শতাধিক লোকে অংশগ্ৰহণ কৰে। **বৰপেটা** জিলাতো আজি নাগৰিক সমাজৰ উদ্যোগত জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহৰ পৰা ত্ৰিৰংগ যাত্ৰা উলিওৱা হয়। জিলাখনৰ বিভিন্ন প্ৰান্তৰ লোকে এই ত্ৰিৰংগ যাত্ৰাত অংশ লৈ দেশপ্ৰেমমূলক শ্ল'গান আৰু ধ্বনি দি সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰতৰ বীৰ জোৱানসকলৰ পৰাক্ৰমৰ প্ৰতি কৃতজ্ঞতা জনায়। **কোকৰাঝাৰ** জিলাতো আজি নাগৰিক সমাজে অপাৰেচন সিন্দূৰত সেনাবাহিনীৰ পৰাক্ৰম তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নিৰ্ণায়ক নেতৃত্বৰ প্ৰতি কৃতজ্ঞতা হিচাপে ত্ৰিৰংগ যাত্ৰা উলিয়ায়। **হোজাই** জিলাত আজি ত্ৰিৰংগ যাত্ৰাত কাজিৰঙা সমষ্টিৰ সাংসদ কামাখ্যা প্ৰসাদ তাছা, হোজাইৰ বিধায়ক ৰামকৃষ্ণ ঘোষৰ উপৰি নাগৰিক সমাজৰ কৰ্মকৰ্তাসকলে ভাগ লয়। হোজাই চহৰৰ মাজমজীয়াৰ বিবেকানন্দ ক্ৰীড়াংগনৰ পৰা এই যাত্ৰা আৰম্ভ কৰি মূল পথেৰে সমগ্ৰ চহৰখন পৰিভ্ৰমণ কৰা হয়। **নলবাৰী** জিলাত মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই ত্ৰিৰংগা যাত্ৰাৰ কাৰ্যসূচীৰ নেতৃত্ব দিয়ে। এই যাত্ৰাত বহুসংখ্যক লোকে হাতে হাতে ৰাষ্ট্ৰীয় পতাকা লৈ বিভিন্ন শ্ল'গান আৰু ধ্বনিৰে ভাৰত ভূমিৰ বন্দনা কৰে।

ooooo

দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ সদৰ হাটশিঙিমাৰীত আজি এটা পাৰস্পৰিক বিবাদ নিষ্পত্তি কেন্দ্ৰ মুকলি কৰা হয়। জিলা আৰু ছেছন ন্যায়াধীশ সঞ্জয় হাজৰিকাই আজি এই কেন্দ্ৰটো আনুষ্ঠানিকভাৱে মুকলি কৰে। দক্ষিণ শালমাৰা মানকাচৰ জিলা আইন সেৱা প্ৰাধিকাৰীৰ উদ্যোগত স্থাপিত এই পাৰস্পৰিক বিবাদ নিষ্পত্তি কেন্দ্ৰটোৰ জৰিয়তে পাৰিবাৰিক গোচৰসমূহ বাদী আৰু বিবাদী পক্ষই পাৰস্পৰিক আলোচনাৰ জৰিয়তে নিষ্পত্তি কৰিব পাৰিব বুলি আমাৰ মানকাচৰৰ সংবাদদাতাই জনাইছে।

ooooo

ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদ, বি চি চি আইৰ সচিব দেৱজিৎ শইকীয়াই কয়, যে এছিয়ান ক্ৰিকেট পৰিষদ, এ চি চিৰ কোনো প্ৰতিযোগিতাত অংশগ্ৰহণ কৰাৰ সন্দৰ্ভত কোনো ধৰণৰ আলোচনা হোৱা নাই। এই সন্দৰ্ভত প্ৰচাৰ হোৱা বাতৰি বা তথ্যসমূহ সম্পূৰ্ণৰূপে কাল্পনিক বুলি সচিবগৰাকীয়ে উল্লেখ কৰে। অহা জুন আৰু ছেপ্তেম্বৰত হ'বলগীয়া মহিলাৰ এমাৰ্জিং এছিয়া কাপ আৰু পুৰুষৰ এছিয়া কাপত অংশগ্ৰহণৰ পৰা বিৰত থাকিব বুলি বি চি চি আইয়ে এ চি চিক অৱগত কৰাৰ বাতৰি বিভিন্ন সংবাদমাধ্যমত প্ৰচাৰ হোৱাৰ পৰিপ্ৰেক্ষিতত বি চি চি আইৰ সচিবগৰাকীয়ে এই স্পষ্টিকৰণ দিয়ে।

০০০০০

আই পি এল ক্রিকেট প্ৰতিযোগিতাত আজি লক্ষ্নৌ ছুপাৰ জায়েণ্টছ, ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। লক্ষ্নৌৰ ভাৰতৰত্ন শ্ৰীঅটল বিহাৰী বাজপেয়ী একানা ষ্টেডিয়ামত সন্ধিয়া চাৰে ৭ বজাত খেলখন আৰম্ভ হ'ব।

০০০০০

সমাপ্ত